সামাজিক শিক্ষা বিভাগ

ফুল [illegible]াল

শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা

"অন্ধকাৰৰ পৰা মোক পোহৰলৈ নিয়া
অজ্ঞতাৰ পৰা জ্ঞানৰ পথ দেখুওৱা
মৃত্যুৰ পৰা নি অমৰত্ব দান কৰা"

উপনিষৎ

সামাজিক শিক্ষা বিভাগৰ হকে
শ্ৰীপ্ৰভাতচন্দ্ৰ শৰ্ম্মাৰ দ্বাৰা
প্ৰকাশিত।

গুৱাহাটী ট্ৰিবিউন প্ৰেছত—শ্ৰীকুঞ্জলাল থাপাৰ দ্বাৰা মুদ্ৰিত।

সামাজিক শিক্ষা বিভাগ

ফুলকলি

ৰচোঁতা
শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা
টীয়ক, অসম

১৯৪০

সূচী

	বিষয়			পিঠি
১।	বিভু	—	—	১
২।	ধুনীয়া ধৰা	—	—	৩
৩।	বকুল	—	—	৪
৪।	গৰখীয়াৰ গীত	—	—	৭
৫।	বৰষুণ	—	—	৯
৬।	চাপৰি	—	—	১০
৭।	পথাৰৰ বণ্ডিয়া	—	—	১২
৮।	পদুম	—	—	১৭
৯।	শৰত কুঁৱৰী	—	—	১৬
১০।	জুৰি	—	—	১৮
১১।	আঁহত	—	—	২০
১২।	ডাৱৰ	—	—	২২
১৩।	ফুটুকা ফুল	—	—	২৪
১৪।	বানপানী	—	—	২৬
১৫।	গাওঁ	—	—	২৯

বিভু

সুনীল আকাশ, বহল ধৰণী,
জোন, বেলি, তৰা ডৰৰ, বিজুলী,
গছ, লতা, পাত, বায়ু, মাটি, পানী,
বিভুৰ পূজাৰ যিমান আঁজলি;
সকলোটিকেই তেৱেঁ সৰজিছে,
তেওঁৰে পূজাত সকলো লাগিছে,
নীলা আকাশৰ বুকুখন দেখি,
বহল সাগৰে আছে ফেৰ পাতি;
আকাশত দেখি ডাৱৰৰ খেলা,
সাগৰৰ বুকুত ঢৌৱে কৰে লীলা;
জান, জুৰি, নৈ, পাহাৰ, পথাৰ,
নানা জীৱ থকা জাৰ্ণি অপাৰ,
সকলোটি তেওঁ নিজেই কৰিছে,
অসীম ধৰাৰ পাতনি পাতিছে।

ৰ'দ, বৰষুণ, বাৰিষা, হৰালি
মধুৰ মাধৱী, শৰত কুঁৱলী,
হেজাৰ ৰঙেৰে ফুলা গছফুল,
যাক দেখি মন ৰওত আকুল;
নানা বৰণৰ চৰাই ধুনীয়া.

মুখত সুৱলা গীতৰ অমিয়া,
সুখ পাই তেওঁ, সকলোটি সাজি,
যদিও দেখিছোঁ, মাথো ভোজ বাজী ॥
সবাকে চৰাই, সৰজিছে নৰ,
নৰেই ধৰাত সবাতোকৈ বৰ;
তথাপি সকলো, কৃপাৰ ভিখাৰী,
তেওঁকেই ফুৰে জগতে বিচাৰি,
নিদিলে বিভুৱে, দিয়া জন নাই,
মানুহৰ বুধি অবাবতে যায়।
যত মানে কৰে ভাল বেয়া কাম,
সকলোকে তেওঁ দেখে অবিৰাম,
ভাল বেয়া কৰে যেনে দৰে যেয়ে,
দুখ, সুখ পাই সেইদৰে সেয়ে;
নৰৰ চকুত সাৰে পাপ কৰি,
বিভুৰ চকুত যায় কোন সাৰি?
তেওঁ আছে দেখি,—আমি দেখা নাই,
ভাল বেয়া তেওঁ সকলোকে চায়।
সকলো কালতে সকলোটি দেখি,
ধুনীয়া জগত আছে তেওঁ ৰাখি,
যত দেখোঁ শুনো সকলোৰ প'ত
তেওঁৰ কৃপা বিনে নাই কাৰো গতি।

ধুনীয়া ধৰা

বৰ ভাল দেখি এই বহল পৃথিৱী খনি
ফুলে পাতে ৰমক জমক,
সুনীল আকাশ তৰা তাতে না না ৰং দিয়া
চালে লাগে চকুত চমক।
ক'তো সেউজীয়া বনে ধুনীয়া দলিচা দৰে
শোভে অতী বহল শৰীৰ;
ফটিকৰ দৰে ক'তো আহল বহল জলে
কৰে ধৰা গহীন গভীৰ।
ওখ পাহাৰা টিঙে আকাশ খিয়াই থাকি
নমাই নিজৰা ধীৰে ধীৰে,
ইটি সিটি লগ লাগি তটিনী ৰূপেৰে নামি
গাওঁ ভূঁই পাতে তীৰে তীৰে।
যত দূৰ দেখা যায় তৰপে তৰপে পায়
নানা ৰূপ বসন ভূষণ,
দেখি দেখি নামুৰাই চাবলৈহে মন যায়
মনমোহা মধুৰ গঢ়ন।
গছে পাতে হালি জালি ঠেও ধৰি নাচি ৰগি
পাতে যেন উলাহৰ মেলা,
ইডালে সিডালে পৰি নানা গীত মাত মাতি
মুকলি পখীয়ে কৰে খেলা।

নৰ নাৰী পশু পখী ফল ফুল যত দেখি
সকলোৰে কৰিছে গুৰনি,
ইটো এৰি সিটো চৰা ৰূপে গুণে ভৰা ধৰা
যেন ইটো বিভুৰ কৰণি।
ইমান ধুনীয়া ধৰা যিজনৰ হাতে গঢ়া
তেওঁ অ'ক ধুনীয়া কিমান,
ধুনীয়াৰ শিৰোমণি তেৱেঁই জানিবা খনি
পাই তাতে বিচাৰি যিমান।

বকুল

গাঁৱৰ মাজৰ পদূলি এটি
মূৰত এজুপি বকুল গছ,
অতিকে মুকলি তল খনি তাৰ
ধূলি মাকটিৰ নাপায় সঁচ।
বায়ুৰ ছাটিত ওপৰৰ পৰা
এটি দুটি কৰি সৰিছে ফুল,
ওপৰৰপৰা এই দৰে নামি
ধৰাৰ বুকুত পাতিছে থুল।

নিৰৱে সৰিছে নিৰৱে পৰিছে
নজনাই কাকো নিজৰে কথা
মাটিত বাগৰা ফুলবোৰ দেখি,
সকলো মনতে লাগিছে বেথা।
গাৱঁৰ লৰা লুৰি থাকে তল ভৰি
বকুলৰ মালা কতনো গাঁথি,
আজৰি পৰত দুপৰ ছেগত
বুঢ়া মেঠা বহি চাচেহি কাঁঠি।
বুঢ়ায়ো বুটলি গাঁথেহি ফুলেৰে
দীঘলীয়া মালা লৰাক দেখি,
এধাৰি দুধাৰি মূৰত মেৰাই
লয় কেবাধাৰি নাতিনি লেখি।
নহলে বুঢ়াৰ নাতি নাতিয়ানে
ছিঙিব মূৰৰ ৰূপালি চুলি
সেই দেখি লয় গাইপতি লেখি
এধাৰি এধাৰি দিবলৈ বুলি।
ছোৱালী ল'ৰাই ফুল তুলি আনি
কাৰনো কিমান দীঘল হয়—
চাই জুখি জুখি ইটিয়ে সিটিৰ
চুটি হলে আক বুটলি লয়।
ঘৰে ঘৰে আছে সকলোৰে ঘৰ
বকুলৰ তলো এখনি ঘৰ,

ইয়াৰ তলতে বহি পাতে কথা
মিলি-জুলি কত আপোন পৰ ।
বকুল তলত কিয় পাতে মেলা
লৰা-ছোৱালীৰ কিহৰ খেলা ?
কিবা লাভ হয় বহিলে তলত
পুৱা দুপৰীয়া গধূলি বেলা ।
ভাল পায় বহি বহে সেই দেখি
লাভ হানি জুখি কোনেনো চায়,
বিধতাই সাজি মানুহ—বকুল
কোনে জানে কিয় হৰিষ পায় ?
ধন সোণ হক বুলি খোজে পতি
কৰা হলে নৰে সকলো কাম,
ৰসৰ নিজৰা সুখৰ নিজৰা
বুলি জগতৰ নাথাকে নাম ।

গৰখীয়াৰ গীত

আমি গৰখীয়া গৰু ৰখি ফুৰো
চাপৰি পথাৰ ঘূৰি,
ৰঙা, বগা, মূগা ৰাঙলী, পাৰলী
আমাৰ লগৰি কৰি।
একেটা ছেৱতে ঘাহ মোকা-মোকে
তলমূৰ কৰি খায়,
দমৰা, দামুৰী গাই সকলোটি
কোনেও কাকো নেচায়।
আমি খেলা কৰো আঁহতৰ তলতে
লগা চপৰা কৰি,
খেদা খেদি কৰো বাগৰো জোগৰো
ইটিয়ে সিটিক ধৰি।
ভাগৰ লাগলে আঁহতৰ তলতে
বনান ওপৰত পৰি,
চাওঁ একমনে আহল বহল
আকাশৰ হিয়া চৰি।
সুৰ শুনি শুনি গৰুৰ মুখৰ
ঘাহ খেৰা শৰদত।
চকু মুদ খাই ভাগৰো পলায়
চৰণীয়া পথাৰত।

মুদিলেও চকু দেখো গৰু চৰা
আৰু দেখো নীলাকাশ
যাহনি পথাৰ দাঁতিৰ বাঁহনি
চাপে যেন আহি কাষ।
গধূলিৰ আগতে চৰ পাই গৰু
আহো ঘৰমুৱা হই,
আগে গৰুজাক পাচে গৰখীয়া
গাৱঁৰ মাজেদি লই।
গোধূলিৰ ধূলি গৰুৰ ভৰিত
গধূলি বাটত উৰে,
ধুৱঁলি-কুঁৱলী গৰু আহে জানি
সাৱধান ঘৰে ঘৰে।
গীতে মাতে ভাঙি নিজান বাটৰ
আহো চাপৰিৰ পৰা,
বিজয়ী-যুজাৰু দৰে আহো সদা
আমি গৰখীয়া লৰা।

বৰষুণ

টিপ্ টিপ্ টাপ্ টাপ্ চিপ্ চিপ্ চাপ্ চাপ্
বাৰিষাৰ বৰষুণ জাকি,
আহিলে আকৌ ঘূৰি আমালৈ নেপাহৰি
ক'ৰ বাৰু বিদেশত থাকি।
খৰালি শুকাই থকা ধৰাৰ শুকান বুকু
তিয়াই কৰিলে আহি শাঁত,
নতুন জীৱন যেন পাই গছ গছনিয়ে
মেলিলে কোমল কুঁহিপাত।
বিধাতাৰ ভৰালৰ দুৱৰী কৃষক দল
কিৰিষত পুনু দিলে মন,
শস্যভৰা পৃথিবীৰ আহল বহল ঠাই
এতিয়াও আছে পৰি ছন।
আহিলে আহক বান হৰি নৈজুৰি জান
তথাপিও লাগে বৰষুণ,
জহত পোৰণি সহি আছে যত নৰনাৰী
সব দুখ হক অৱসান।
"মৌ পিউ" "মৌ পিউ" কৰি মৌপিয়াটিয়ে
বিচাৰি ফুৰিছে বৰষুণ,
টোপাল পাই অবুজ ভাষাৰে গায়
বিধি বিধাতাৰ মহাগুণ।

টিপ্ টিপ্ টাপ্ টাপ্ চিপ্ চিপ্ চাপ্ চাপ্
সুৰ ধৰি নামে জলধাৰ
শুনি ধ্বনি মনোহৰ শৰীৰ জুৰাই যাই
উলাহৰ ভাগি যায় পাৰ।
চাই থাকি, শুনি থাকি, ভাবি থাকি, বৰষুণ
হৰিষতে মন বিয়াকুল।
শুকান ধৰাৰ বুকু কঠুৱা যদিও দেখি
তাতো পৰি বয় আলফুল।
মধুৰ বাৰিষা কাল সুমধুৰ বৰিষণ
সুমধুৰ আৰু গছলতা,
তাতোকৈ সুমধুৰ যিজনাৰ ইটো দান
যিজনেই জগতৰ পিতা।

চাপৰি

চাপৰি চাপৰি বহল চাপৰি
চকু যে ভাগৰি যায়,
নৈয়ে সাৱটিছে বিৰিখে বেৰিছে
অতিকে শুৱনি ঠাই।
মাজে মাজে জোপা ফুল ডালে ভৰা
চৰায়ে পাতিছে বাহ

উৰি উৰি ঘূৰি নাচি বাগি ফুৰে,
চাপৰিৰ বাঢ়িছে লাহ।
জোপোহা মূৰেৰে বহল বিহিখে
মাজতে দাঙিছে মূৰ,
চাপৰি শুৱনি তথাপি মূকলি
বলিছে বতাহ জুৰ।
এনেয়ে সুন্দৰী পখীৰ কিৰিলি
তাতোকৈ সুন্দৰী আছে,
গছৰ তলতে বাহ গৰখীয়া
গীতৰ ছেৱতে নাচে।
কলী, বগী, মুগী পাখৰী, দামুৰী
দমৰাও অলেখ চৰে,
চাপৰিটি ভৰা গাইয়ে বলদে
লৰা ঢপৰা কৰে।
ছাগলী পাগলী পেটৰ কাৰণে
যিহকে তিহকে খায়,
মুকলি চাপৰি, ভয় পৰি হৰি
আছে ঘাহলৈকে চাই।
বনেৰে সজোৱা ঘাহেৰে বোলোৱা
বহল চাপৰি খনি,
থাইমানে তাৰ জেউতি বাঢ়িছে
বিমান দুৰলৈ মণি।

বনে কৰি দান শৰীৰ নিজৰ
বঢ়াই চাপৰি শোভা,
গৰখীয়া লৰা গীতৰ ছেৰেৰে
চৰাই ৰঙৰে প্ৰভা।
মন যায় যেন চাপৰিতে ফুৰি
গৰখীয়া লৰা হই,
এই জীৱনৰ জেউতি বঢ়াওঁ
মুকলি মূৰীয়া ক'ই।

পথাৰৰ বগিয়া

পথাৰৰ বগিয়া বগা ধকে ধকী
ওপৰে লখিমী যায়,
শৰতৰে নীলা আকাশ তলতে
হৰিষ মনেৰে চায়।
চাৰিনতে ভৰি সেউজী পথাৰ
পৃথিৱী শুৱনী কৰে,
গাৱঁৰ লৰা লুৰি ৰঙতে বলিয়া
মনটি লগতে উৰে।

বহল সেউজী পথাৰৰ মূৰকে
বতাহে পৰশি যায়,
নীলা আকাশৰ শুকুলা ডাৱৰে
ৰঙতে তললৈ চায়।
সাগৰৰ ঢৌৱে বগা ফেন তোলে
পথাৰৰ ঢৌৱে নীলা,
চাই থাকি থাকি হেপাহ নপলায়
ধুনীয়া সাৰদী লীলা।
বঙিয়া বঙিয়া লগালগি কৰি
জুৰিছে গোটেই ধৰা,
পথাৰৰ মাজতে চেলেং পেলাই গল
কোন দেৱতাৰ লৰা।
ভালেতো লখিমী বাট বুলি যায়
সৰগৰ পৰা নামি,
কি দিম আমাৰ কি আছে গোঁসানী
অতিকে নিচলা আমি
গাৱঁৰে লখিমী জীয়াৰী বোৱাৰী
সৰগৰ লখিমী তুমি,
দুয়ো দেখা দেখি পথাৰৰ মাজতে
কৰিয়ে চাইছে জুমি।
দেৱতাৰ লৰা আহিয়ে থাকিব
আলিত চেলেঙ পাৰি,

পথাৰৰ বণিয়া মুকলি কৰিব
মলয়া বতাহে সাৰি।
সদায় ইদৰে আহিবা গোঁসানী
আমাৰ একোটিকে নাই,
তুমি আহিলেহে পৃথিবী থনিয়ে
আমাৰ মুখলৈ চাই।

পদুম

পানীৰ মাজত থাকে
ধুনীয়া পদুম ফুল,
নাচে বাগে ঢৌও ধৰি
উলাহত বিয়াকুল।
আকাশত দেখি বেলি
মৰমতে সখি পাতি,
একেলগে মাৰ যায়
যেতিয়াই আহে ৰাতি।
নিশা কৰি অৱসান
আহিলে বেলিটি ঘূৰি

পদুমেও মেলে বুকু
জলাহৰ বুকু জুৰি।
নোৱাৰি সহিব শাপ
আন যত গছ পাত,
ঢলি যেন জয় পৰি
বিচাৰে সহায় হাত।
পদুমে তেতিয়া ৰঙে
ঢেও ধৰি নাচি বাগি,
দেখুৱাই সূৰুযক
হিয়াৰ কিমান ৰাগী।
যাক যেয়ে ভাল পাই
কঠোৰতো নাই দায়,
যিমানেই দূৰ হক
তথাপি মৰম পায়।

শৰত কুঁৱৰী

শেৱালি তলতে দুৱৰি বৰনি
দলিচা খনিৰ দৰে,
সেউজীয়া তাৰ ধুনীয়া বৰণ
নিয়ৰে উজ্জ্বল কৰে।
পৰি আছে তাত শেৱালিৰ ফুল
ৰঙা ঠাৰি বগা পাত,
তিনটা ৰঙেৰে দলিচা বোলোৱা
কোননো বহিব তাত।
জগত খনকে ধুনীয়া কৰিব
তিনিও লগৰী হই
তাতে বহি বহি শৰৎ কুঁৱৰী
লগতে আহিছে লই।
কুঁৱৰীৰ লগতে কুঁৱলী আহিছে
ধুনীয়া ওৰণি ভৰি,
শেৱালী, কুঁৱলী সদা তিনিও
থাকিব জগত জুৰি।
শৰতো নাথাকে কুঁৱলী নাথকে
শেৱালী নাথাকে ৰই,
আদিৰ পৰাই আছে এইদৰে
মাথো অহা যোৱা কই।

পুৱা শেৱালিৰ ধুনীয়া দলিচা
পুৱাতে নোহোৱা হ'ব,
ধুনীয়া শৰত নাথোন ইদৰে
এমাহ দুমাহ ৰ'ব।
কুঁৱলী থাকিব তাতোকে বেছি
আমনি লগোৱা কৰি,
সদায় নাথ'কে তিনিও লগেৰে
মাজে মাজে এৰা এৰি।
বেগেতে সকলনি বিচৰা মানুহে
কুঁৱলী আমনি পাব,
তথাপি কুঁৱলী নাথাকে সদায়
বছৰটোলৈকে যাব।
আগলৈ পাম এতিয়া নেলাগে
ন'কবা ন'কবা ভাই,
কোৱাচোন বাৰু এই জীৱনত
শৰত কেইটা পায়।
শৰত যোৱাদি কুঁৱলীও যাব
শেৱালিও সেই দৰে,
ৰই নাথাকিবা বেগেতে বোটলা
যেতিয়া শেৱালি সৰে।
যিকিদিন থাকে তাতে চাব লাগে
হেঁপাহ পলোৱা কই,

এতিয়া নাচালে চাবানো কেতিয়া
জীৱন নাথাকে ৰই।
জীৱনৰ কথা নেলাগে ভাবিব
শৰতৰ কথা শুনা,
তাকো নালাগে শেৱালি কুঁৱলী
তাৰেই আয়ুস গণা।
কাইলৈ হব পাৰে কি বিপদ
এই পৃথিবীৰ গাত,
ক'ব পাৰে জানো আজি কোনোবাই
আছে কাৰ তেনে হাত।

জুৰি

পাহাৰৰ বুকু ভাগি ওলোৱা চকুৰ পানী
তই জানো কপোৱালী জুৰ,
শোক বেজাৰৰ জানো মূৰ্ত্তি বিশেষ ৰূপে
ওপৰৰ পৰা পৰ সৰি।
নহয় চিনাকি তই কন্দাপিও বেজাৰৰ
নাই দেখা শোকৰ কাৰণ,
ধৰা ধৰে হৰিষত টুকিছে চকুৰ পানী
দেখি এই ধৰাৰ পাতন।

সুৰ দাঙি থাকে চাই অলপো আমনি নাই
সেইহে ইমান ৰঙ পাই,
ৰঙৰ নিজৰা ৰূপে চকুপানী বৈ আহি
উলাহত ধৰণী ঢৌৱাই।
পাহাৰৰ বুকুৰেদি জাৰণিৰ সুৰুঙাই
ধাননিৰ মাজে মাজে ঘূৰি,
গাওঁৰ দাঁতিয়ে দিনি বাঁহনিৰ তলে আহি
যাঁৱ তই নৈ-সুগ ধৰি।
নাহৰে পাহৰি যায় এজাৰো ঠাই নাই
'কপৌ ফুলৰ' মালা আঁৰি,
তোকে অতি ভালপাই পাৰতে হাউলি থাকি
সজায় ফুলেৰে তোক জুৰি।
চৰণীয়া চাপৰিৰ গৰু গাই সকলোৱে
ফটিকৰ ধাৰ যেন পানী,
পান কৰি ৰঙ পাই তোকে ঘূৰি ঘূৰি চাই
বৰ উপকাৰী বুলি জানি।
গৰখীয়া লৰাইতে তোৰে বিতোপন পানী
পান কৰি ভাগৰ পলাই,
তাৰ কাৰণেই যেন আনি ফুল উলাহেৰে
এটি দুটি কৰি উটুৱাই।
মিলিলে নদীত গই কাম তোৰ শেষ হয়
ধৰে তোক নদীয়ে সাবটি ;

তইঁওবো কৰ ভাৱ   লৈ নৈ বৈ যায়
আপোনাৰো বঢ়াই শকতি।
সাগৰ নাপাই মানে   তটিনীৰ তত্ নাই
শোধাব লাগিব তোলা কৰ,
পাৰিলে নিজৰ ভাগ   নিজে নিজে লৈ যায়
নহলে লোকত দিয়ে ভৰ।
যিহবেই চিন তই   যিমানেই সৰু হব
তথাপিও সাধি আছ হিত,
ৰূপ-গুণ দেখি তোৰ   কতজনে ৰং পাই
কৰে পুলকিত মন চিত।
যিমানেই সৰু হহ   জনম ধৰিলি তই
অ' মোৰ বনৰীয়া জুৰি,
নদ, নদী সাগৰৰ   বিশাল ৰূপৰ তেওঁ
তয়ে মাথো জনমৰ গুৰি।

আঁহত।

এজুপি আঁহত গছ,   সৰু সৰু পাতে ভৰা
তাৰে আৱৰিছে বহু ঠাই,
ছালৰ ওপৰে বহে   জিৰণীয়া পখী সৰে
জিৰাবৰ ঠাই খনি পাই।

সুপৰ ৰদৰ মাজে এছাটি দুছাটি বায়ু
মাৰি পাতখিনি নচুৱাই,
অতিকে পাতল পাই অলপতে নচুৱাই
নাচোনত যেন ঠাই নাই।
সৰু সৰু পাতবোৰে ইটো সিটো লগলাগি
এটি যেন বৰ জাপি কৰে,
বুঢ়া আঁহতৰ গাই জাপি ধৰা যেন হৈ
বৰজাপি আলাসত ধৰে।
হাটকুৰা বাটকুৰা আৰু কত ভাগকুৰা
জাকে জাকে বহেহি তলত,
নাই আৰু তেনে গছ আজিটিৰ কাষৰত
এনেদৰে সকলো চলত।
কোনো শোৱে কোনো বহে কোনো বহি কথা পাতে
উঠে তাত হাঁহি খলকনি,
আঁহতৰ গম নাই একেঠৰে আছে চাই
সুনীল আকাশ একেখনি।
মলয়া ছাটিত নাচে একেদৰে পাতবোৰে
চোৱা নাই কোনে কিটো কৰে,
গছৰ ডালৰ পখী তলত মানুহ দেখি
আনত বিচাৰি গছ উৰে।
কাটিলেও যঁৰে গছ থাকিব লাগিব তাতে
লৰচৰ শকতিয়ে নাই,

লবি চৰি ফুৰা পখী মানুহৰ গতি দেখি
পাৰে দেখি গইছে পলাই।
মানুহে নিজেই সাজি লয় কত ঘৰ বাৰী
সাজে বিধি নিজে গছ পাত,
সেই দেখি দলে দলে বহে শোৱে বাটকৰা
সুশীতল আঁহতৰ ছাঁত।
জানিব কিদৰে দেহি চিকাৰী কি বাটকৰা
মানুহক চিনা বৰ দায়,
নৰেই নৰক নিজে নেপাই কদাপি চিন
চৰায়ে কিদৰে চিনি পায়।

ডাৱৰ

সুৰূপ, কুৰূপ, হৈ যেনেকৈ আহ লাগে
তই হেৰ আকাশী ডাৱৰ,
নেপাওঁ আমনি মই আদৰিম সদা তোক
তই বঠা জীৱন নাৱৰ।
আকাশ গাভিনী কৰি শীতল সলিল ঢালি
জগতক শাঁত কৰ তই

জ্ঞান বুদ্ধি স্মৃতি ন'ই তোমেই কাৰণ লই
কুলু কুলু সুৰ ধৰি বয়।
খৰাং খৰালি কাল জপাই কৰিছ ভাল
পথাৰত পানী উপচায়,
আকালত খীন হোৱা বিলৰ শুকান বুকু
ঢালি জল পুনৰ পূৰায়।
নাপালে তোমাৰ পানী জগতৰ হয় হানি
পথাৰ এনেয়ে ৰয় পৰি,
ৰতৰতে বতৰৰ নহয় যদিহে খেতি
ফুৰে নৰে হাঁহাকাৰ কৰি।
সাগৰৰ পানী আনি আকাশ ভৰাই তুলি
বতাহ সাৰথি কৰি লই,
নেঢালিলে জলৰাশি কেনেকৈ গছে ডালে
দেখুৱাব ফল ফুল বই।
ফুলৰ অভাৱ হলে ধুনীয়া জগত খনি
দেখাতেই ভয় পৰি যাব,
ফলৰ অভাৱ হলে পশু পখী নৰ নাৰী
কেনেকৈ জীৱন ধৰিব।
ক'লা, বগা, ৰঙা, মুগা, হালধীয়া, বেঙুনীয়া
কত ৰঙে আহিছে ডাৱৰ,
ইদৰে বেলিৰ পৰা ৰঙ ধাৰ কৰি লই
দেখুৱায় কিমান ডাঙৰ।

ক'লা মলা ঘোপ মৰা ৰূপ খাওঁ খাওঁ কৰা
যদিও দেখিলে লাগে ভয়,
তাৰে পৰা ঢালি পানী শীতলালে ধৰাখনি
উশাহৰ চকুলোহে বয়।
সেই দেখি আকাশৰ বুকুৰ ডাৱৰ হেৰ'
তোক মই সদায় মাগিছো,
দুখে সুখে ভৰি থকা হিয়াৰ মাজত এই
তোৰ ঠাই সদায় ৰাখিছোঁ।

——

ফুটুকা ফুল

ফুটুকা ফুল, ফুটুকা ফুল,
কোন দেৱতাৰ শাপত তই,
ৰঙে চঙে চৰা হই এনেদৰে
নেপাৱ আদৰ সুবুজো মই।
তোৰ দৰে ৰং কত যে ফুলৰ
সঁচাকৈয়ে দেখো পাবলৈ নাই,
তথাপিও কিয় ইমান আদৰ
দেশ বিদেশত সিহঁতে পায়।

ধুনীয়া নহয় বুলি কোনে কয়
বগা, ফাকু-ৰঙা, ফুটুকা ফুল,
নেথাকে যদিও সৌৰভ তথাপি
কিয় তোক বাক বুজিছে ভুল ?
তোৰ দৰে কত সৌৰভ নোহোৱা
ফুলে শোভা কৰে ফুলনি বাৰী,
কি কাৰণে তোৰ এনুৱা বিলাই
ধাপৰ দাঁতত পাতিছ শাৰী।
চাপৰিৰ বুকু শোভা কৰ তই
আলিৰ দাঁতিৰ বঢ়াৱ শোভা,
তথাপি পৰা তোক নিনিয়ে কোনেও
সজ্ঞাবৰ হেতু তোৰণ ৰভা।
ফুটুকা ফুল, ফুটুকা ফুল,
বেজাৰ কিহৰ সঁচাকৈয়ে তোৰ,
এতিয়া জানিছো ভাবি গুণি চাই,
ভুলহে মাথোন বুজাত মোৰ।
মুকলি মূৰেৰে থাকি ভাল পায়
সজোৱা ফুলনি ঘিণাৱ তই,
সেই দেখি থাক আঁতৰে আঁতৰে
মানুহক ধৰা নিদিয়া কই।
তোক দয়া কৰে সকলো পশুৱে
সেয়েহে তোৰ নেথায় পাত,

মানুহেও দেখো কিটো ভাবি জানো
তোৰ শৰীৰত নিদিয়ে হাত ।
ফুলনিৰ ফুলে এদিনো নোৱাৰে
তোৰ দৰে ৰ'ব মুকলি হই ;
তাঁহাতৰ ফুল তাঁহাতৰ গুণ
অকল মাথোন মানুহলই ।
মানুহৰো পতা ফুলনি খনেই
অকলে নোৱাৰে শুৱাব ধৰা ;
সেয়েহে ফুটুকা সৰজি পঠালে
কৰি এনেকুৱা ৰূপত চৰা ।
সেইহে তোক ৰাখে আথে বেথে
মুকলি মুৰীয়া যদিও তই ;
তোক কৰা দেখি চেনেহ ইমান
ফুলনিৰ ফুল পৰিছে জয় ।

বানপানী

বানপানী, বানপানী,
দি আহে কাণি মুণি
কাক ৰাখে কাক নিয়ে
একো ঠিক নাই ;

আছে যেন লবি, গাই,
'আমি কাণি মুণি বাই,
নেজানো আহিছোঁ কেনি
নধ'ৰবা দায়' ।
ঘৰ-বাৰী, ধন, ধান,
উটুৱাই নিব পাৰে
পশু পখী নৰ ;
নিবিচাৰে ধনী মানী,
হব যাৰে যতে হানি
নকৰে কালৈকো ভয়
চেতনে বা জৰ ।
দেখাত বলিয়া পানী,
তথাপিও আছে জানি,
সকলোকে একেদৰে
কৰিব বিচাৰ ;
সেইদেখি কাকো নেৰে,
সম, বিধাতাৰ দৰে.
নিয়ে যাকে যতে পায়
নিবিচাৰে-কাৰ ।
ভল পল কপোৱালী,
বহল চতৰ বালি,

তল গল ঘৰ বাৰী
ঘাহনি পথাৰ ;
যেনিয়েই চোৱা হয়,
তেনিয়েই চকু ৰয়,
বানপানা মোহে আন
নাই পাৰা পাৰ।
পৃথিবীত সকলোৰে,
নিজৰ শকতি দৰে
জনা নজনাত সদা
আছে বলিয়ালি,
বিধাতাই মাজে মাজে,
যি ধৰণী নিজে সাজে,
উটুৱাই দিব খোজে
বানপানা ঢালি।
যি জলে জীৱন দিয়ে,
সিয়ে জীৱ মাৰি নিয়ে,
জগতত সকলোৰে
দুটা পিঠি আছে ;
জুই বায়ু মাটি পানী,
আছে যি বিধিয়ে দানি,
জগতৰ নাচোনত
দুই নাচ নাচে।

নেথাকে সদায় বান,
মাথোন দুদিন মান,
তাতেই যদিও হয়
ধৰাৰ বিকল,
দুদিনৰ শেষ হলে,
পুনু বান গুচি গলে,
জগতৰ নৰে পাই
বানৰ সুফল।

গাঁও

গছ গছনিৰে জোৰা অনেক বাৰীৰে ভৰা
দেশৰ ধৰণী যেন গাওঁ,
মনমোহা ফল-ফুল চকুদুটি বিয়াকুল
যেনিয়ে এবাৰ ঘূৰি চাওঁ।
বগা বগা পদুলিৰে সৰু বৰ ঘৰবোৰে
আছে যেন কাৰবাক মাতি,
বহল পথাৰ বোৰে বুকুভৰা শইছেৰে
শোভিছে গাৱঁৰ কাষ-দাঁতি।

সক একা বেঁকা আলি পথাৰৰ বুকু ফালি
সাৰটিছে পদূলিৰ মুৰ,
দুকাষে বনৰ শাৰী মাজে মাজে বোকা বালি
দেখি, চকু যায় যত দূৰ।
বাঁহনিৰ তলে বৈ ঘাহনিত গৰু থৈ
চাৰে গৰু গাই গৰখীয়া;
কোনোৱে গছৰ ডাল বগাই পাইছে ভাল
কিৰিলিৰে মাতি সমনীয়া।
লেটেকু, কঠাল, কল আম, জামু, পনিয়ল
নাহৰ, আঁহত জৰী বৰ,
আছে জুৰি গাওঁখনি চন্দ্ৰে যিমান মণি
কৰি, সুশীতল বাৰী ঘৰ।
হাঁহ, পাৰ, ম'হ গৰু কুকুৰ ছাগলী আৰু
বিৰলী গাঁৱৰ পোহনীয়া,
মাজে মাজে দুটি এটি পথাৰত ঘোৰা চৰি
গহীনাই শোভা গাঁৱলীয়া।
বাৰী পাতি আগে পাচে ঘৰৰ পুখুৰী আছে
পথাৰত লেখজোখ নাই,
কোনোটিত হাঁহ চৰে কোনোটিত মাছ মাৰে
কোনোটিৰ মাথো পানী খায়।
কোনোটিৰ বোকাপানী কোনোত ফটিক বাৰি
কোনোটি ডাঙৰ দীঘল,

যেই হক সকৰৰ সকলোটি মনোহৰ
সকলোটি দেখাত সৰল ।
ঘৰৰ ছালত লগা অলেখ কোমোৰা বগা
আঁতৰতে গাওঁ জিলিকাই,
বাটকৰা আহে যায় গাৱঁলীয়া শোভা চাই
সৰলতা যেয়ে ভাল পায় ।
ধান দোৱা, ভূই ৰোৱা, কোৰমৰা, হালবোৱা
নামগেৰা, বহা সকামত,
ধন, পঁচা, কৰতোলা কেতিয়াবা মেল মৰা
বহি লৈ আলি কাষৰত ।
নৰিয়া পৰিয়া হলে পৰদিয়া পালে পালে
দিন নিশা কৰা অহা যোৱা,
এইদৰে গাওঁপাতি এইদৰে গা খাটি
এইদৰে থাকে গাৱঁলীয়া ।
গাৱঁৰ লখিমী ৰূপে জীয়াৰী-বোৱাৰী সবে
বেলি অহা যোৱা সময়ত,
চোতাল পদূলি সাৰি উলাহত উটি-বুৰি
আহে লৈ কলহ কাষত ।
ঘামি জামি ৰোদে দাই তথাপিও দুখ নাই
ভিতৰৰো সকলোটি চায়,
চোতালৰ কাষৰত বহি অতি হৰিষত
তাঁত বয় হেপাহ পলাই ।

গাৱেঁই দেশৰ গুৰি সমাজ ৰাখিছে ধৰি
নগৰত গাৱঁৰ বিকাশ,
গাওঁ যদি ভাগি যায় যদিবা কেৰোণে খাই
মানুহৰ সঠিক বিনাশ।

—সমাপ্ত—

গুৱাহাটী ট্ৰিবিউন প্ৰেছত শ্ৰীকঞ্জলাল থাপাৰ দ্বাৰা মুদ্ৰিত